অধ্যায় ১১ঃ উত্তৰ-পূব ভাৰতত ভূমি সম্বন্ধ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ ভূমি অধিকাৰ
১১.৪ ভূমি অধিকাৰৰ শ্রেণী বিভাগ
১১.৫ উত্তৰ-পূব ভাৰতৰ ভূমি সম্বন্ধ প্রক্রিয়া
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ান
১১.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- ভূমি সম্বন্ধীয় অৱধাৰণাৰ বিষয়ে অৱগত হ'ব
- উত্তৰ-পূব ভাৰতৰ ভূমি সম্বন্ধৰ বিষয়ে অৱগত হ'ব
- ভূমি অধিগ্রহণ নমুনা (Pattern) আৰু কৃষি ক্ষেত্রৰ গঠনৰ ব্যাখ্যা কৰিব পাৰিব।

১১.২ পৰিচয়

আৰম্ভণিতে এটা কথা উনুকিয়াই থোৱা প্রয়োজন যে কৃষিভূমিৰ মালিকীস্বত্ব স্থায়ী বা এক নির্দিষ্ট সময়ৰ বাবে প্রযোজ্য হ'ব পাৰে। সেয়েহে, ভূমি সম্বন্ধত মালিকীস্বত্বৰ বিভিন্নতা অনুসৰি নির্ধাৰিত হয়। এইবোৰক স্থায়ী স্বত্ব বা অধিকাৰ, নির্দিষ্ট সময়-সীমাগত অধিকাৰ (tenancy for a fixed period of time) বা ইচ্ছাগত স্বত্ব (tenancy at will) হিচাপেও ভাগ কৰিব পাৰি।

এইখিনিতে এইটো বিশেষ মনোযোগ দিয়া উচিত যে ভূমি সম্বন্ধীয় বিভিন্নতাই কৃষিৰ প্রকাৰৰ (type) ৰ লগত ঘনিষ্ঠভাৱে সংযুক্ত হয়। সেয়েহে কৃষিগত গঠনৰ বিষয়ে জ্ঞান লাভ কৰা অপৰিহার্য্য। কৃষিগত গঠন উক্তি (term) টোৱে এক সামাজিক সংঘবদ্ধতাৰ ৰূপৰেখা (frame work) নির্দেশ কৰে য'ত কৃষিগত সকলো প্রক্রিয়া যেনে উৎপাদন, বিপণন আৰু ক্রয় কার্য্যান্বিত হয়। এই সংঘ (organization) বা সামাজিক সংযুক্তাকাৰ গঠনে কৃষিকর্ম কেনেদৰে বা কাৰ দ্বাৰা নিয়ন্ত্রিত হৈছে, কি ধৰণৰ শস্য আৰু কি উদ্দেশ্যত উৎপাদন কৰা হৈছে, কেনেদৰে খাদ্য আৰু কৃষিগত আয় বিস্তাৰ কৰিব পাৰি আৰু কি উপায়ে বা কি ধৰণে কৃষিখণ্ডক সমাজ এখনক অর্থনীতিৰ বাকী শাখাসমূহৰ লগত সংযোজিত কৰিব পাৰি তাক নিয়ন্ত্রণ (regulate)

কৰে। মন কৰিবলগীয়া যে ভাৰতৰ দৰে এখন কৃষিপ্ৰধান দেশত, য'ত জনসংখ্যাৰ বেছিভাগেই গাওঁ অঞ্চলত বাস কৰে আৰু প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৃষিকেই জীৱন-নিৰ্বাহৰ বুনিয়াদী আধাৰ হিচাপে গ্ৰহণ কৰে, ইয়াত ভূমিৰ মালিকী স্বত্ব আৰু অন্য গ্ৰাম্য সম্পদসমূহ জাতিগত বৈষম্য (caste-based discrimination) আৰু দমনৰ দ্বাৰাহে নিয়ন্ত্ৰিত হয়। ভূমিৰ পৰিচালনা আৰু স্বত্ব, ভূমিৰ পৰা উৎপন্ন আয় আৰু ইয়াৰ বিপণন (market) সমাজৰ এচাম ব্যক্তিৰ হাতত কেন্দ্ৰীভূত হয়। ইয়াৰ ফলত সামাজিক উন্নয়নো ভূমি আৰু ভূমি সম্বন্ধই শ্ৰেণীবদ্ধ কৰা ধৰণে বিভাজিত হয়। তদুপৰি ভাৰতবৰ্ষত কৃষি সম্বন্ধই ইয়াৰ পিছপৰা, পীড়িত শ্ৰেণীৰ সংঘৰ্ষৰ কৰুণ গাঁথা থকাতো দৃষ্টিগোচৰ হয়।

১১.৩ ভূমি অধিকাৰ

ভূমি অধিকাৰ প্ৰায়েই আইনগত বা প্ৰথাগতভাৱে কোনো নিৰ্দিষ্ট ব্যক্তি বা গোটৰ ও চৰত ন্যস্ত কৰা হয়। সেয়েহে এইটো ব্যক্ত কৰা উচিত যে ভূমি ইয়াত অন্য প্ৰাকৃতিক সম্পদ যেনে পানী আৰু গছ গছনিৰ দৰেই অন্তৰ্ভুক্ত কৰা হৈছে। ভূমি অধিকাৰ হ'ল এক সংস্থাপনা (establishment) অৰ্থাৎ, সমাজৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম য'ত ব্যক্তিৰ ব্যৱহাৰ আৰু ক্ৰিয়া আচৰণক নিয়ন্ত্ৰণ কৰে। ভূমি অধিকাৰ আইনে এক সীমা নিৰ্ধাৰক ৰেখা স্বৰূপ (outline) যিয়ে সমাজত ভূমি সম্পত্তিৰ অধিকাৰ বা স্বত্বৰ বিভক্তকৰণ কৰে। এই নিয়মে ভূমিৰ ব্যৱহাৰ, পৰিচালনা, হস্তান্তৰকৰণৰ লগতে ভূমিৰ দায়িত্বভাৰ আৰু সীমাবদ্ধতাৰ প্ৰৱেশাধিকাৰ মঞ্জুৰ কৰে। সহজ ভাষাত, ভূমি অধিকাৰ আইনে ভূমি কোনে ব্যৱহাৰ কৰিব পাৰিব, কিমান দিনলৈ এই ব্যৱহাৰ অধিকাৰ থাকিব আৰু কেনেকুৱা পৰিস্থিতিত ই প্ৰযোজ্য হ'ব তাক নিয়ন্ত্ৰণ কৰে।

ভূমি অধিকাৰ সমাজ, ৰাজনীতি আৰু অৰ্থনীতি সংৰচনাৰ এক গুৰুত্বপূৰ্ণ অংশ। ই বহুমূখী প্ৰকৃতিৰ। ইয়াৰ সামাজিক, কাৰিকৰী, অৰ্থনৈতিক, অনুষ্ঠানগত, আইনী আৰু ৰাজনৈতিক দিশ বা স্থিতিসমূহ বিশেষ গুৰুত্বপূৰ্ণ যদিও প্ৰায়েই এইবোৰক গুৰুত্ব দিয়া নহয়। ভূমি অধিকাৰ আইনসমূহ আৰু ইয়াৰ ব্যৱহাৰিক সম্বন্ধ স্পষ্টভাৱে নিৰ্ধাৰিত আৰু আইনগতভাৱে সম্পাদিত বা প্ৰথাগত ভাৱে এখন সমাজত স্বীকৃত হয়। অৱশ্যে বহু সময়ত ই দুৰ্বল, অস্পষ্টভাৱে নিৰ্ধাৰিত হয় আৰু শোষণ অন্যায়ৰ পথ মুকলি কৰে।

ভূমি অধিকাৰ সেয়েহে এক পাৰস্পৰিক অন্তৰ্বিভাজক সম্বন্ধ বা অধিকাৰ বুলিব পাৰি। তলত কেইটামান ভূমি অধিকাৰ প্ৰকাৰ উল্লেখ কৰা হ'ল।

- **অধিভাৰী অধিকাৰ** (overriding interest) ঃ ই এক একচেতীয়া বা স্বাধীন ক্ষমতা নিৰ্দেশ কৰে। উদাহৰণ স্বৰূপে এখন দেশ বা জাতি এটাৰ ভূমি হস্তগতকৰণৰ স্বত্ব।
- **অতি আচ্ছাদিত অধিকাৰ** ঃ বিভিন্ন দলে একে সময়তে এক নিৰ্দিষ্ট ভূখণ্ডতেই বেলেগ বেলেগ অধিকাৰ আবণ্টিত কৰিলে অতি আচ্ছাদিত (overlapping interest) অধিকাৰ বুলিব পাৰি। উদাহৰণ স্বৰূপে এটা দলে হয়তো লীজ বা পট্টা অধিকাৰ প্ৰণয়ন কৰিছে অন্য এটা দলে।

- **পৰিপূৰক অধিকাৰ** (complementary interest) ঃ এই ক্ষেত্ৰত বিভিন্ন দলে উমৈহতীয়া ৰুচি বা ধাৰণাৰে একেখণ্ড ভূমিতে স্বাৰ্থ থাকে। যেনে— যেতিয়া এটা গোটৰ সদস্যসকলে চৰণীয়া পথাৰ এখনৰ পৰা উমৈহতীয়া সুবিধা বা সুযোগ লাভ কৰে।
- **প্ৰতিযোগিতামূলক** ঃ এনে ক্ষেত্ৰত বিভিন্ন গোটে একেখণ্ড ভূমিৰ পৰা একে মুনাফা লাভৰ দাবী তোলে। উদাহৰণ স্বৰূপে ইয়াত দুটা গোটে স্বতন্ত্ৰীয়ভাৱে একেডোখৰ কৃষি ভূমিৰ ব্যক্তিগত ব্যৱহাৰৰ সুবিধা লাভৰ দাবীতোলাৰ কথাকেই ক'ব পাৰি।

১১.৪ ভূমি অধিকাৰৰ শ্ৰেণীবিভাগ

ভূমি অধিকাৰ পদ্ধতি অনুসৰি ইয়াক তলৰ শ্ৰেণীসমূহত বিভক্ত কৰিব পাৰি—

- **ব্যক্তিগত** (Private) ঃ এটা ব্যক্তিগত গোট যেনে — এজন ব্যক্তি বা এহাল বিবাহিত লোক, এটা মানুহৰ গোট, এটা যৌথ নিগম যাৰ উদ্দেশ্য লাভদায়ক ব্যৱসায় বা এটা লাভ-নিৰপেক্ষ সংগঠন- এই সকলে ব্যক্তিগতভাৱে এটা সম্পত্তিৰ আবণ্টন লাভ কৰিব পাৰে। উদাহৰণস্বৰূপে, এটা সম্প্ৰদায়ৰ অন্তৰ্গত বিভিন্ন পৰিয়ালে এটা বাসগৃহ বা কৃষিভূমি এডোখৰ বা উদ্যান এখনৰ ব্যক্তিগত ব্যৱহাৰৰ সুবিধা লাভ কৰিব পাৰে। এই প্ৰক্ৰিয়াত সম্প্ৰদায়টোৰ অন্য সদস্যসকলে এই সম্পত্তিৰ ব্যৱহাৰৰ সুযোগৰ পৰা বঞ্চিত হ'ব যদিহে, সম্পত্তি লাভৰ সুযোগ প্ৰাপ্ত সদস্যসকলে অনুমোদন নকৰে।
- **সাম্প্ৰদায়িক** (Communal) ঃ এই ব্যৱস্থাত এটা সম্প্ৰদায় (Communal) ৰ সকলো সদস্যই স্বতন্ত্ৰভাৱে সম্প্ৰদায়টোৰ উমৈহতীয়া সম্পত্তিৰ অধিকাৰ ভোগ কৰিব পাৰে। উদাহৰণ স্বৰূপে, উমৈহতীয়া চৰণীয়া ভূমি (pasture) এখনত সম্প্ৰদায় এটাৰ সকলো সদস্যই পশু-চৰা (grazing) ৰ অধিকাৰ ভোগ কৰিব পাৰে।
- **মুক্ত অধিগতকৰণ বা উপলব্ধতা** (Open access) ঃ নিৰ্দিষ্ট কিছুমান অধিকাৰ ব্যক্তিগত ভাৱে কাকোৱেই আৰোপিত কৰিব নোৱাৰি। আকৌ, কোনো ব্যক্তিকেই এইবোৰ অধিকাৰ ভোগৰ পৰা বঞ্চিত কৰিবও নোৱাৰি। এইবোৰৰ ভিতৰত সন্নিৱিষ্ট কৰিব পাৰি— সামুদ্ৰিক গুণাধিকাৰ, য'ত গভীৰ সমুদ্ৰ (high sea) সাধাৰণতে সকলোৰে বাবে উন্মুক্ত। সমতল ভূমি, অৰণ্য আদিও এনে সম্পত্তিৰ উদাহৰণ, য'ত সকলোৰে বাবে প্ৰৱেশ কৰাৰ সম অধিকাৰ আছে। (মুক্ত উপলব্ধতা আৰু সাম্প্ৰদায়িক উপলব্ধতাৰ পাৰ্থক্য এয়ে যে এটা সাম্প্ৰদায়িক পদ্ধতিত অনা-সম্প্ৰদায়ৰ কোনো সদস্যই উমৈহতীয়া সম্পত্তি যিটো সম্প্ৰদায়টোৰ অধীন তাক ভোগ কৰিব নোৱাৰে।
- **ৰাষ্ট্ৰ** (State) ঃ ৰাষ্ট্ৰৰ অধীন বা নিৰ্দিষ্ট প্ৰশাসনৰ অধীন কিছুমান সম্পত্তি ইয়াৰ অন্তৰ্গত। উদাহৰণ স্বৰূপে, নিৰ্দিষ্ট কিছুমান দেশত বনাঞ্চলসমূহ প্ৰশাসনৰ অধীনত থাকে।

এই প্রশাসন কেন্দ্রীয় পর্য্যায়ৰ হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভূমি অধিকাৰ বুলিলে কি বুজা যায়?

প্রশ্ন নং ২ ঃ কৃষি সম্বন্ধী সমাজ ব্যৱস্থা বুলিলে কি বুজা যায়?

প্রশ্ন নং ৩ ঃ ভূমি অধিকাৰ পদ্ধতিৰ বিভিন্ন শ্রেণী বিভাগ কি কি?

প্রশ্ন নং ৪ ঃ ভূমি প্রশাসন (land administration) বুলিলে কি বুজা যায়?

প্রশ্ন নং ৫ ঃ ভূমি অধিকাৰ সুৰক্ষাৰ সংজ্ঞা লিখক।

ভূমি সম্বন্ধৰ বিষয়ে সাধাৰণভাৰে সার্বজনিক স্তৰত আলোচনা কৰাৰ পিচত, এতিয়া এই আলোচনা উত্তৰ-পূব ভাৰতৰ ওপৰত কেন্দ্রীভূত কৰা যাওক।

১১.৫ উত্তৰ-পূব ভাৰতৰ ভূমি সম্বন্ধ প্রক্রিয়া (Land relation in North-east India) ঃ

ভাৰতৰ উত্তৰ-পূব অঞ্চল প্রধানকৈ দটা প্রধান গোটৰ লোকেৰে গঠিত ঃ

- মংগোলীয় মূলৰ জনজাতিসকল, প্রধানকৈ এইসকল লোক অঞ্চলটোৰ পার্বত্য অঞ্চলত বাস কৰে।
- ইণ্ডো-আর্য্য গোটৰ লোকসকল উপত্যকাসমূহত বাস কৰে। এই অঞ্চলটো সার্বজনীন মনোভাৱাপন্ন (Cosmopolitan temperament) ঐতিহাসিক সময়ৰে পৰাই এই অঞ্চলটোলৈ বসতি স্থাপনৰ উদ্দেশ্য লৈ অহা লোকসকললৈ এই অঞ্চলটোৱে প্রদর্শন কৰি আহিছে সহযোগী মনোভাব। বহিৰাগত সকলৰ লগত স্থানীয় বাসিন্দাসকলে ভাব আৰু সংস্কৃতিৰ বিনিময় কৰিছে আৰু সময়ৰ সোতত এক সমন্বয়পূর্ণ সংস্কৃতিয়ে মূৰ দাঙি উঠিছে।

  এইখিনিতে ভূমি সম্বন্ধৰ বিষয়ে আলোচনা কৰোতে এইটোও মনত ৰখা উচিত, ১৮২৬ চনত বৃটিছসকলে এই অঞ্চলটো অধিগ্রহণ কৰাৰ লগে লগে ইয়াৰ ৰাজনৈতিক পৰিচালনাতো এক আধাৰ বা খোপনি লাভ কৰে। পৰিমাণস্বৰূপে, অঞ্চলটোৰ ৰাজনৈতিক ক্ষেত্রৰ অধিকাৰ লাভৰ পিছত, বৃটিছ প্রশাসনে বৰ সুচতুৰতাৰে অঞ্চলটোৰ প্রশাসন ব্যৱস্থাক দুটা ভাগত বিভক্ত কৰে—
    - পার্বত্য আৰু,
    - সমভূমি অঞ্চল

পার্বত্য অঞ্চল আকৌ উন্নয়ন আৰু ইয়াৰ প্রৱেশযোগ্যতাৰ ওপৰত নির্ভৰ কৰি দুভাগত বিভক্ত কৰা হৈছিল। সেই কেইটা হ'ল— বর্জিত ক্ষেত্র (Excluded areas) আৰু আংশিক বর্জিত ক্ষেত্র (Semi excluded areas) সমভূমি অঞ্চলৰ লোকক উল্লেখ কৰি অহা পার্বত্য অঞ্চলসমূহত প্রৱেশ কৰাত আৰু সেই অঞ্চলৰ ভূমি ক্রয় আৰু মালিকীস্বত্ব লাভৰ নিষেধাজ্ঞা বা প্রতিবন্ধকতা আৰোপ কৰিছিল।

ভাৰতৰ স্বাধীনোত্তৰ কালত, পার্বত্য অঞ্চলসমূহৰ জনজাতীয় নেতাসকলে ৰাষ্ট্ৰৰ ওচৰত তেওঁলোকৰ সংস্কৃতি, জাতীয়তা আৰু অন্য ব্যৱস্থাপনাৰ ৰক্ষাৰ বাবে দাবী জনায়। ভাৰতীয় সংবিধানৰ প্ৰণেতা গৰাকীয়ে এই জনজাতীয় লোকসকলৰ কল্যাণার্থে বিভিন্ন পন্থা গ্ৰহণ কৰাৰ লগতে এওঁলোকৰ উপযোগী নীতিৰ অন্তর্ভুক্তি কৰে। ফলস্বৰূপে, এই অঞ্চল প্ৰশাসনীয় গঠনৰ ক্ষেত্ৰত ৰাজনৈতিকভাৱে বিভিন্নতাৰ সন্মুখীন হৈ আহিছে। ইয়াৰ উপৰি অঞ্চলটোৰ প্ৰশাসনীয় গঠন উল্লেখনীয় ধৰণে পৰিৱর্তনশীল হয় যিটো দেশৰ বাকী অংশৰ পৰা পৃথক। ভাৰতীয় সংবিধানৰ পঞ্চম আৰু ষষ্ঠ অনুচ্ছেদত এই অনুসূচীত জনজাতীয় জনসাধাৰণৰ কাৰণে বিশেষ ব্যৱস্থাৰ সংযোজন কৰা হৈছে। ষষ্ঠ অনুচ্ছেদসূচী অসম, মেঘালয়, ত্ৰিপুৰাৰ পার্বত্য অঞ্চলৰ জনজাতি লোকৰ ক্ষেত্ৰত প্ৰযোজ্য। তেনেদৰে পঞ্চম অনুচ্ছেদ দেশৰ অন্য অনুসূচিত (schedule) অঞ্চলৰ ক্ষেত্ৰত প্ৰযোজ্য। কিন্তু মণিপুৰৰ পার্বত্য অঞ্চলত থকা জনজাতিসকল আৰু অসমৰ সমভূমি অঞ্চলৰ জনজাতিসকল- এই দুয়োটা সাংবিধানিক অনুচ্ছেদতেই অন্তর্ভুক্ত হোৱা নাই। মনকৰিবলগীয়া যে নাগালেণ্ডৰ প্ৰশাসনৰ বাবে সংবিধানৰ ৩৭১A উল্লেখ আছে, "সংবিধানত এই বিষয়ত বিৰোধিতা নাই সদনত এই বিষয়ত কোনো আইন নীতি নাই - (1) নাগাসকলৰ ধর্মীয় আৰু সামাজিক অনুষ্ঠানসমূহ, (2) নগাসকলৰ প্ৰথাগত আইনী ব্যৱস্থা, (3) নাগৰিক আৰু অপৰাধীৰ ন্যায় ব্যৱস্থাৰ শাসন আৰু, (4) মাটিৰ আৰু ইয়াৰ সম্পদসমূহৰ মালিকীস্বত্ব নগালেণ্ডৰ সীমাৰ ভিতৰতে প্ৰযোজ্য। ইয়াৰ উপৰিও সংবিধানৰ ধাৰা ৩৭১G মতে মিজোৰাম আৰু ৩৭১C মতে মণিপুৰ ৰাজ্যই বিশেষ সুবিধা লাভ কৰিব। সংবিধানৰ ষষ্ঠ অনুচ্ছেদসূচী মতে অৰুণাচল প্ৰদেশে কিছুমান সুৰক্ষা সুবিধা লাভ কৰিব পাৰে।

- **অসম ঃ** এইখিনিতে এইটো উল্লেখ কৰা সমীচিন যে ভাৰতৰ অন্য অঞ্চলৰ তুলনাত বহুক্ষেত্ৰত ১৯ শতিকাৰ সময়ছোৱাত অসমে জনজাতীয় অর্থনীতিৰ বহুতো উপাদান বহন কৰিছিল। বৃটিছ শাসনৰ পিছৰ কালছোৱাত এই পৰিৱেশৰ বহু পৰিৱর্তন ঘটিছিল। কুৰি শতিকাত বৃটিছ শাসকসকলৰ ৰাজহ বৃদ্ধিৰ লক্ষ্যৰ লগত স্থানীয় জমিদাৰ আৰু ধনী ব্যৱসায়ীসকলৰ সূত আৰু লাভৰ চূড়ান্ত প্ৰত্যাশাই অর্থনীতিলৈ গুৰুত্বপূর্ণ পৰিৱর্তন আনিছিল। প্ৰব্ৰজনৰ দ্বাৰা বর্ধিত শ্ৰমিকৰ চাহিদা পূৰণৰ প্ৰক্ৰিয়া হাতত লোৱা হৈছিল। উৎপাদনৰ নতুন পদ্ধতিয়ে অৱশ্যে মূলধন উৎপাদনৰ হাৰ বা ধাৰা বর্ধনৰ কাৰণে কৃষিক্ষেত্ৰ সম্প্ৰসাৰণত গুৰুত্ব দিয়া হৈছিল। ভূমিৰ ওপৰত অত্যাধিক হেচাই ভূমিহীন আৰু দখলদাৰী বা পট্টাদাৰী (tenant) শ্ৰমিক, কৃষকৰ হাৰ বৃদ্ধি কৰিছিল। তদুপৰি, মধ্য-সামন্তবাদী পন্থাৰ প্ৰতীকস্বৰূপ অর্থ ঋণ, ভিতৰুৱা বা মধ্যৱর্তী লেনদেন আৰু বজাৰৰ সীমাবদ্ধতা আদি প্ৰচুৰভাৱে প্ৰচলিত আছিল। ফলস্বৰূপে, অঞ্চলটোৰ উৎপাদন বিধিয়ে অচিৰেই ভাৰতীয় বৃটিছ শাসিত অন্য অঞ্চলৰ লগত এক ধৰণৰ হৈ পৰিছিল।
- **মেঘালয় ঃ** মেঘালয় ৰাজ্যৰ অধিকাৰ ব্যৱস্থা আৰু ভূমিৰ মালিকীস্বত্ব বিধি বহুমূখী প্ৰকৃতিৰ। এই ব্যৱস্থাই দুই ধৰণৰ কর্তৃপক্ষৰ অন্তর্ভুক্তি কৰে।
    - ঐতিহ্যগত বা চিৰাচৰিত, আৰু

➢ অ-প্রথাগত প্রতিষ্ঠান।

ঐতিহ্যগত বা প্রথাগত অনুষ্ঠানসমূহ দেশীয় ৰীতিমতে পৰিচালিত হয় আৰু পুৰণি কালত প্রচলিত চুক্তি বা দেশীয় বিধিৰ ওপৰত ইবোৰ প্রতিষ্ঠিত। সময়ৰ লগে-লগে, ভাৰতীয় সংবিধানৰ প্রচলনৰ লগে-লগে ইয়াৰ ষষ্ঠ অনুচ্ছেদ সূচীত স্বায়ত্ব জিলা পৰিষদ (Autonomous District Council) জনজাতি অধ্যুষিত ভাৰতৰ অঞ্চলসমূহৰ বাবে গঠন কৰা হয়। ফলস্বৰূপে, মেঘালয় ৰাজ্যতো স্বায়ত্বশাসিত জিলা পৰিষদ গঠন কৰা হয়। এই পৰিষদৰ সমান্তৰালকৈ ৰাজ্যসমূহত ভূ-সম্বন্ধীয় বিষয়ৰ পৰিচালনাৰ বাবে অ-জনজাতি (non-tribal) অনুষ্ঠান কিছুমান প্রতিষ্ঠা হয়। এইটো মন কৰিবলগীয়া যে, বর্তমান সময়তো প্রথাগত, পুৰণি নীতি-নিয়মসমূহ মানুহৰ মাজত আজিও প্রচলিত হৈ আহিছে আৰু চিৰাচৰিত প্রথা আৰু নেতৃত্বৰ আদৰ কমা নাই। ঐতিহ্যপ্রীতি আৰু সংস্কৃতিৰ সংৰক্ষণেই ইয়াৰ মূল কাৰণ। আনহাতে, ভূমি ব্যৱহাৰ প্রণালীতো উল্লেখযোগ্য পৰিৱর্তন আহিছে আৰু মানুহে অধিক লাভদায়ক কৃষি ব্যৱস্থাৰ প্রতি আগ্রহী হৈছে। তেওঁলোকে ঝুম (Jhum) কৃষি পদ্ধতিৰ সলনি স্থায়ী কৃষি পদ্ধতি আদৰি লোৱা দেখা গৈছে।

- **অৰুণাচল প্রদেশ ঃ** মার্চ, ১২-২০১৮ত অৰুণাচল প্রদেশত Land Settlement and Record অধ্যাদেশ সংশোধনী মতেএখন আইন বলৱৎ কৰা হয়। এই আইনৰ আধাৰত প্রথমবাৰৰ বাবে ৰাজ্যৰ নাগৰিকসকলক মাটিৰ মালিকীস্বত্ব প্রদান কৰা হয়। Land Settlement and Record Act, 2000 মতে প্রথমতে, ৰাজ্যৰ অধিবাসীসকলক ভূমিৰ স্বত্বৰ অধিকাৰ দিয়া হোৱা নাছিল। স্থানীয় অধিবাসীসকলক একোডোখৰ মাটিৰ বাবে মাথো ‘‘মাটি অধিগ্রহণ প্রমাণপত্র’ (Land Possession Certificate) দিয়া হৈছিল আৰু নাগৰিকজনক সংশ্লিষ্ট জিলাৰ মুখ্য উপায়ুক্তই এই প্রমাণপত্র প্রদান কৰিছিল। এই ভূমি আবণ্টন আকৌ ৰাজ্যৰ বন বিভাগৰ দ্বাৰা অনুমোদিত বা গাওঁ পঞ্চায়তৰ দ্বাৰা অনুমোদিত হয়। অৱশ্যে প্রকৃত মালিকীস্বত্ব ৰাজ্যৰ অধীনত থাকে। এই সংশোধনী (2018) য়ে শেষত এখন প্রকৃত আইনৰ অধীনত ভূ-স্বত্বৰ প্রমাণপত্র লাভ কৰি ৩৩ বছৰ পর্য্যন্ত মাটিৰ পট্টা লাভ কৰে আৰু এই সময়সীমাৰ অন্তত পুনৰ ৩৩ বছৰৰ বাবে মাটিৰ পট্টা লাভ কৰিব পাৰে। অৰুণাচল প্রদেশৰ ভূমি অধিকাৰ পদ্ধতি বর্তমান অৱস্থালৈ প্রায় অস্থিৰ বা কিছু সঙ্গতিহীনভাৱেই প্রকাশিত হৈ আহিছে। উত্তৰ-পূবৰ অন্য ৰাজ্যসমূহৰ নিচিনাকৈ অৰুণাচল প্রদেশও বিভিন্ন অনুসূচীত জনজাতিৰ বসতিস্থল। প্রতিটো জনজাতিৰ নিজস্ব প্রথাগত আইন আছে আৰু এই আইনৰ সহায়তেই দৈনন্দিন ব্যৱসায় আনকি ভূমি লেন-দেন সংক্রান্তীয় প্রক্রিয়াও পৰিচালিত হয়। উত্তৰ-পূবৰ অন্য জনজাতি ৰাজ্যসমূহৰ বিপৰীতে, সংবিধানে অৰুণাচল প্রদেশৰ এই প্রথাগত বা ৰীতিগত ব্যৱস্থাৰ ওপৰত কোনো আইনী বিশুদ্ধতা বা প্রযোজ্যতা আৰোপ কৰা নাছিল। তথাপিও অৰুণাচল প্রদেশৰ জনজাতীয় লোকসকলে এই প্রথাগত ৰীতিসমূহক

প্ৰাধান্য দিছিল। বেছিভাগ ক্ষেত্ৰতে ৰাজ্য চৰকাৰেও জনজাতীয় জনসাধাৰণৰ ভাৱৰ বিপৰীত ব্যৱস্থা লোৱা নাছিল। সমাজবিজ্ঞানী Walter Fernandes ৰ মতে, "নিয়মানুসাৰে ঔপচাৰিক (formal) নিয়ম ব্যৱস্থাৰ কৰা উচিত যদিও কার্য্যতঃ প্ৰথাগত ৰীতিয়ে এইবোৰ আতৰাই ৰাখে"।

- **মণিপুৰ ঃ** ১৯৬০ চনত Land Reform and Land Revenue Act বলৱৎ হোৱাৰ লগে-লগে ই সমগ্ৰ উপত্যকাটোৰ কাৰণে প্ৰযোজ্য হয়। সময়ৰ লগে লগে মণিপুৰৰ ৰাজ্য চৰকাৰে বিভিন্ন ভূ আইন বিধিবদ্ধ কৰে আৰু "নতুন ভূ-ব্যৱহাৰ আইন" (New Land Use Policy 2014), প্ৰণয়ন কৰে। সেয়েহে এইটো উল্লেখ কৰা উচিত যে চৰকাৰে প্ৰাথমিক বা প্ৰথাগত আইনৰ সলনি প্ৰৱৰ্তন কৰা নতুন ভূ-আইনৰ ফলত অসন্তুষ্টিৰ সৃষ্টি হৈছিল। পাৰ্বত্য অঞ্চলত প্ৰণয়ন কৰা যিকোনো ভূ আইনে জনসাধাৰণৰ মনত অসন্তোষ আৰু অবিশ্বাসৰ সৃষ্টি কৰিছিল, কিয়নো জনজাতি ভূ-অধিকাৰ আইনৰ ইয়াৰ দ্বাৰা উপেক্ষিত হ'ব বুলি মনোভাৱ গঢ়ি উঠিছিল। তদুপৰি সামাজিক ধাৰণা এটা গঢ় লৈ উঠিছিল যে চৰকাৰে প্ৰণয়ন কৰা আইনসমূহে পুৰণি, প্ৰথাগত ৰীতি-নীতি ক্ষয়িষ্ণু কৰাৰ উপৰিও জনজাতিসকলৰ মৰ্যাদা হ্ৰাস কৰাব লগতে নিজ ভূ-অধিকাৰ আৰু দখলদাৰী অধিকাৰৰ পৰা বঞ্চিত হ'ব।
- **ত্ৰিপুৰা ঃ** ত্ৰিপুৰাৰ জনজাতিসমূহে আকৌ এখন পৃথক ছবি দাঙি ধৰে। গৱেষণাই দেখুৱাই যে ৰাজ্যৰ জনজাতিসকল ভূমিহীনতাৰ সমস্যাত গভীৰভাৱে আক্ৰান্ত। এই সমস্যাৰ কাৰণ উদ্‌ঘাটনত দেখা গ'ল যে, অন্তৰ্ৱর্তী অনুষ্ঠান আৰু ১৯৪৭ ৰ পৰা১৯৭১ লৈ পূব পাকিস্তান (বৰ্তমান বাংলাদেশ)ৰ পৰা অহা প্ৰব্ৰজনকাৰী জনসংখ্যা ইয়াৰ মূল কাৰণ। পূৰ্ব কালছোৱাত, জনজাতি গাওসমূহত ভূমিৰ অংশীদাৰীত্ব মালিকীস্বত্বৰ প্ৰচলন আছিল আৰু ত্ৰিপুৰাৰ ৰজাৰ দ্বাৰা অনুমোদিত আছিল। প্ৰতি গাওঁতেই এজন মুখীয়া (Chief) আছিল আৰু তেওঁৰ ওপৰত গাওঁ আৰু গাওঁবাসীৰ ৰীতিগত গৰাকীৰ ভাৰ ন্যস্ত আছিল। জনসাধাৰণে ৰজাৰ ওচৰত কৰ (Tax) অৰ্পণ কৰিছিল আৰু এই কৰ গাওঁৰ মুখীয়ালৰ জৰিয়তে প্ৰদান কৰিছিল। ১৮৮৬ চনত "জমিদাৰ আৰু দখলদাৰী" (Landlord and Tenant) আইন স্বায়িত্ব শাসিত ত্ৰিপুৰা ৰাজ্যৰ অধীনত অনুমোদিত হৈছিল। এই আইনৰ অধীনত প্ৰাৰম্ভিকতেই সাৰ্বজনিক ভূমিসমূহ ব্যক্তিগত মালিকাধীনলৈ পৰিৱৰ্তন কৰি ব্যক্তিগত ভূমি অধিকাৰ সূচিত কৰে। এই আইনৰ অধীনত বাংলা বসবাসকাৰী আৰু জনজাতীয় নেতাসকল বিশেষভাৱে লাভবান হয়। ত্ৰিপুৰা চৰকাৰে গ্ৰহণ কৰা পুনর্নিবাস সূচি (Scheme)ৰ উদ্দেশ্যে মাটি অধিগ্ৰহণ কৰি ২৬,১০১ হেক্টৰ ভূমি বাংলাদেশী প্ৰব্ৰজনকাৰীসকলৰ মাজত ভগাই দিছিল। "এটা সময়ত বাংলাদেশী প্ৰব্ৰজনকাৰীসকলে ভূমি হস্তগতকৰণ প্ৰক্ৰিয়াক উৰ্দ্ধগতি প্ৰদান কৰি আদিবাসী কৃষকসকলৰ ভূমি হস্তগত কৰে।
- **নাগালেণ্ড ঃ** পশ্চিমীয়া ধাৰণা অনুসৰি ভূমিক মানৱ কল্যাণ আৰু প্ৰগতিৰ আধাৰ

বুলি গণ্য কৰা হয় যদিও, নগাসকলে ভূমিক উপযোগিতাৰ আধাৰ বস্তুৰ সলনি জীৱন (life) ৰ আধাৰ বুলি গণ্য কৰে। নগাসকলে ভূমিক প্ৰকৃতি দত্ত উপহাৰ বুলি গণ্য কৰে আৰু সকলোকে ইয়াৰ অংশীদাৰ বুলি বিশ্বাস কৰে। তেওঁলোকৰ কাৰণে ভূমিৰ মাজতেই ঈশ্বৰ বিৰাজমান। সেয়েহে ভূমিৰ লগত নগাসকলে এক ঐশ্বৰিক, আধ্যাত্মিক আৰু পাৰিবাৰিক সম্বন্ধ অনুভৱ কৰে। সেয়েহে নগাসকলে নিজৰ স্ব-ভূমি বা অঞ্চলটোতেই সামাজিক -সংস্কৃতিক আৰু অৰ্থনৈতিক জীৱনৰ প্ৰতিচ্ছবি দেখা পায়। সেয়েহে সকলো নগাই সন্মিলিতভাৱে সহমত আগবঢ়ায় যে ভূমি কেবল ব্যক্তিগত সম্পত্তি হোৱাৰ সলনি ই সামূহিক সম্পদ। সেয়েহে, নাগালেণ্ডৰ সৱহ সংখ্যক ভূমিয়েই সামূহিক। কোনো ব্যক্তিগত বা পৈতৃক ভূমি বিক্ৰয় আৰু হস্তান্তৰকৰণ এটা সম্প্ৰদায়, বংশ, পৰিয়াল বা ব্যক্তিৰ কাৰণে নিন্দনীয় আৰু অপমানজনক। ভূমি অধিকাৰ নাগালেণ্ডত এনে ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰি—

- **উমৈহতীয়া গাওঁৰ ভূমি ঃ** প্ৰত্যেক নগা গাওঁৰ এক নিৰ্দিষ্ট পৰিসীমা থাকে সমগ্ৰ গাওঁখনে এখন উমৈহতীয়া গ্ৰাম্য ভূমিৰ ভোগ দখল কৰে। এই কাৰ্য্য গ্ৰাম্য কৰ্তৃপক্ষৰ পৰিচালনাত থাকে।
- (Clan Land) **বংশগত ভূমি ঃ** এই ক্ষেত্ৰত ভূমিখণ্ড পৈতৃক সম্পত্তি হিচাপে ব্যক্তিয়ে পুৰুষানুক্ৰমে এক নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত লাভ কৰে।
- **ব্যক্তিগত ভূমি ঃ** এই ক্ষেত্ৰত গ্ৰাম্য কৰ্তৃপক্ষৰ মঞ্জুৰীত এজন ব্যক্তিয়ে অন্য এজন ব্যক্তিক বা এটা বংশই আন এটা বংশৰ ওচৰত ভূমি বিক্ৰী বা পুনঃ আবণ্টিত কৰিব পাৰে। আনহাতে, গাওঁৰ বাহিৰত ব্যক্তিক ভূমি বিক্ৰীৰ ক্ষেত্ৰত কঠোৰ নিবাৰণবিধি আছে।
- **মিজোৰাম ঃ** মিজোৰামৰ ভূমি প্ৰশাসনীয় পদ্ধতি প্ৰথাগতভাৱে গাওঁৰ অন্তৰ্ৱৰ্তী এলেকাত প্ৰচলন হৈছিল আৰু সাম্প্ৰদায়িক ভূমি ৰীতিৰে পৰিচালিত হয়। গাঁৱৰ মূখীয়াল ব্যক্তি গৰাকী ৰীতিগতভাৱে গাওঁৰ সমূহ ভূ-সম্পদৰ অধিপতি বুলি গণ্য কৰা হয়। গাঁৱৰ ভিতৰত ভূমি সম্পদৰ আৱণ্টন আৰু ভূমি সম্পৰ্কীয় সকলো নিয়ন্ত্ৰণ এই মূখীয়াল গৰাকীৰ ওপৰত ন্যস্ত থাকে। মিজোৰামত স্থানান্তৰণ কৃষি (shifting cultivation) (স্থানীয়ভাৱে ইয়াক ঝুম খেতি বোলা হয়) পদ্ধতিতেই সাধাৰণতে কৃষিকৰ্ম কৰা হয়। ১৯৫০ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত সংঘটিত বিপুল ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ৰূপান্তৰে মিজোৰামক জিলাৰ পৰা ৰাজ্যলৈ পৰ্য্যবসিত কৰে। সময়ত ই কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ ৰূপান্তৰিত হয়। এই সময়ত ৰাজ্যখনত কোনো সুস্পষ্ট ভূমি নীতি গ্ৰহণ কৰা হোৱা নাছিল। ২০১৩ চনত এক সুস্থ ভূমি নীতিৰ লক্ষ্যৰে মিজোৰাম ৰাজ্যই, Mizoram (Land Revenue) Act, 2013 ৰ আৰু Mizoram (Land Revenue) Rules, 2013 ৰ আৰম্ভ কৰে। এই আইনৰ প্ৰচলনে সকলো পূৰ্বৱৰ্তী ভূমি আইন বন্ধ কৰি ভূমিৰ

আৰণ্টন, পৰিচালনা আৰু ভূমি কৰৰ বাবে নতুন আইনৰ প্ৰচলনৰ বাট মুকলি কৰে।

- **চিকিম ঃ** ১৯৭৫ চনত চিকিমে ভাৰতীয় ৰাজ্যৰ মর্যাদা লাভ কৰে আৰু লগে লগে ৰাজ্য চৰকাৰে মধ্যভোগী বা দালাল (Mediator) শ্ৰেণী দুৰ বা বন্ধ কৰে। ফলস্বৰূপে ই ভূমিহীনসকলৰ ভূমিৰ অধিকাৰৰ ব্যৱস্থা ভূমি ধাৰণা (land holding) ৰ বাবে চিলিং আইনৰ প্ৰচলন, অতিৰিক্ত ভূমিৰ বিতৰণ, ভূমি অধিকাৰ আইনৰ সুদৃঢ়ীকৰণৰ বাবে Sikkim Cultivators Protection Act (1975), the Sikkim Agricultural Land Ceiling and Reform Act, (1978) আদিৰ প্ৰচলন কৰে। ইয়াৰ উপৰিও স্থানীয় লেপ্চা আৰু ভূটীয়াসকলৰ বাবে ভূমি অধিকাৰ আইন (১৯১৭) চলিতকৰণ ব্যৱস্থা অন্যতম।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাঠটিৰ অধ্যয়নৰ অন্তত আমি মুঠতে বুজিব পাৰিলো যে, ভূমি বিশেকৈ আদিবাসী অঞ্চলৰ ভূমি দীর্ঘস্থায়ী ভাৱে এই বিশেষ গোটটোৰ মাজতে অকল মালিকীস্বত্বৰ বাবে সংৰক্ষিত হৈ আহিছে।
- "ভূমিয়ে সাংস্কৃতিক আৰু জাতিগত পৰিচয় বহনকাৰী হিচাপে গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰে।
- জীৱন নির্বাহৰ এই সাধনৰ জৰিয়তে ব্যক্তিয়ে প্ৰকৃতি পৰিবেশৰ লগত সহজীৱি (Symbiotic) সম্বন্ধ গঢ়ি তোলে। গঢ় লৈ উঠে ব্যক্তিৰ সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু সামাজিক নিয়ন্ত্ৰণ তন্ত্ৰ"।



১১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Basole, Amit. 2010. "Agrarian Change in North India: Evidence from Haryana and Uttar Pradesh."
- Binswanger-Mkhize, Hans P. 2013. "The Stunted Structural Transformation of the Indian Economy: Agriculture, Manufacturing and the Rural Non-Farm Sector." Economic and Political Weekly XLVIII (26 and 27) (29 June): 5–13.
- CSD. 2004. Endangered Symbiosis: Evictions and India's Forest Communities. New Delhi: Campaign for Survival and Dignity. CSE. 2011. "Forest clearance." Centre for Science and Environment. http://www.cseindia.org

- Kar, Bodhisattva. 2004. What is in a Name? Politics of Spatial Imagination in Colonial Assam, CENISEAS Papers 5; Guwahati: Centre for Northeast India, South and Southeast Asia.
- Karna (ed.). Land Relations on North-east India. New Delhi: Peoples Publishing House. pp. 167-171. Kumar, Nikhlesh. 2005. "Identity Politics in the Hill Tribal Communities in the North-Eastern Region of India," Sociological Bulletin, 54 (n. 2), pp. 195-217.
- Kohli, Atul. 1989. The State and Poverty in India. Cambridge University Press.
- Shah, Alpa, and Barbara Harriss-White. 2011. "Resurrecting Scholarship on Agrarian Transformations." Economic and Political Weekly XLVI (39) (24 September): 13–18.
- Xaxa, V. 2001. "Empowerment of Tribes," in Debal L. Singharoy (ed). Social Development and the Empowernment of Marginalised Groups. New Delhi: Sage Publications, pp. 202-222.



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ভূমি অধিকাৰ হ'ল এক সংস্থা, য'ত আইনগত আৰু প্রথাগত ভাৰে জনসাধাৰণ, ব্যক্তি বা গোটৰ লগত ভূ-সম্বন্ধৰ সীমাংকন নির্ধাৰিত হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ সকলো সভ্যতাতে গ্রাম্য সমাজ এখনৰ অর্থনীতি শস্য উৎপাদন। ইয়াৰ পোষণৰ ওপৰতে আধাৰিত হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ভূমি ব্যৱহাৰ সাধাৰণতে ব্যক্তিগত, সাম্প্রদায়িক, মুক্ত আৰু ৰাষ্ট্র।

৪ নং প্রশ্নৰ উত্তৰ ঃ ভূমি ব্যৱহাৰৰ আইন বা নীতি নির্ধাৰণ আৰু ইয়াৰ ৰূপায়ণকেই ভূমি প্রশাসনৰ সংজ্ঞা বুলিব পাৰি।

৫ নং প্রশ্নৰ উত্তৰ ঃ ভূমি স্বত্ব সুৰক্ষাৰ অর্থ অনুসৰি ব্যক্তিৰ অধীন ভূখণ্ডক স্বীকৃতি প্রদান আৰু ভূমি কেন্দ্রিক সমাজত সহায়তা প্রদান।



১১.৯ আৰ্হি প্রশ্ন

(১) চমু প্রশ্ন ঃ (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

(ক) ভূমি সম্বন্ধ আৰু কৃষি পদ্ধতিৰ প্রকাৰৰ মাজত থকা সম্বন্ধ বর্ণনা কৰি এটা টোকা লিখক।

(খ) আদিবাসী সমাজত ভূমিৰ মহত্ব আলোচনা কৰক।

(২) দীঘল প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখিব)

(ক) উত্তৰ-পূব ভাৰতত কৃষি অধিকাৰ পদ্ধতিৰ উৎপত্তি আৰু ইয়াৰ ক্ৰমবিকাশ সম্বন্ধে বৰ্ণনা কৰক।

(খ) উদাহৰণৰ সহায়ত ভূমি অধিকাৰ পদ্ধতিৰ অৰ্থনৈতিক তাৎপৰ্য্য বৰ্ণনা কৰক।

****